জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯/২০২১

# সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান মৃণাল দাসৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৫ মে’ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান মৃণাল দাসৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত মৃণাল দাসে এগৰাকী নিষ্ঠাৱান কৰ্মচাৰী হিচাপে সেৱা আগবঢ়োৱাৰ উপৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰি সংগঠনটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লগতে কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যাৰাজি সমাধান কৰাৰ ক্ষেত্ৰটো উল্লেখযোগ্য অৰিহণা আগবঢ়াই গৈছে। ইয়াৰ উপৰি এগৰাকী অভিনেতা হিচাপেও প্ৰয়াত দাসে আমাৰ সাংস্কৃতিক জগতলৈ অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মৃণাল দাসৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**১৫/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in